Regional News Unit
All India Radio, Guwahati
0000000000

Date : 30-08-2024 Time : 1800 Hrs.

*Assamese Evening Bulletin*

0000000

অসম বিধানসভাৰ শৰৎকালীন অধিবেশনৰ আজি পঞ্চমদিনা কেইবাখনো বিধেয়ক উত্থাপন কৰা হয়। ইয়াৰ ভিতৰত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই দি আছাম ৰাইট টু পাব্লিক ছাৰ্ভিছেছ এমেণ্ডমেণ্ট বিল-২০২৪, পৰিবহন মন্ত্ৰী কেশৱ মহন্তই দি আছাম মটৰ ভেহিক'ল টেক্সেছন এমেণ্ডমেণ্ট বিল-২০২৪, ৰাজহ মন্ত্ৰী যোগেন মহনে দি আছাম ফিক্সেছন অৱ ছিলিং অন লেণ্ড হল্ডিংছ এমেণ্ডমেণ্ট বিল-২০২৪, দি আছাম এগ্ৰিকালচাৰেল লেণ্ড (ৰেগুলেছন অৱ ৰি ক্লাছিফিকেছন এণ্ড ট্ৰান্সফাৰ ফৰ নন এগ্ৰিকালচাৰেল পাৰপাছ) এমেণ্ডমেণ্ট বিল-২০২৪ উত্থাপন কৰে। আজি বিধানসভাত জুম্মা নামাজ বিৰতি ৰদ কৰাৰ বিষয়েও সিদ্ধান্ত গ্ৰহণ কৰা হয়।

ইফালে, আজি বিধানসভাত ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী যোগেন মহনে ৰাজ্যত ২০২০ চনৰ পৰা বৰ্তমানলৈকে প্ৰাকৃতিক দুৰ্যোগৰ ফলত মৃত্যু হোৱা লোকসকলৰ পৰিয়ালক চৰকাৰৰ তৰফৰ পৰা ৪ লাখ টকাকৈ ক্ষতিপূৰণ দিয়া হৈছে বুলি প্ৰকাশ কৰে। মন্ত্ৰীগৰাকীয়ে এটা লিখিত প্ৰশ্নৰ উত্তৰত এই কথা উল্লেখ কৰি কয় যে প্ৰাকৃতিক দুৰ্যোগৰ ফলত ৰাজ্যখনত ২০২০ৰ পৰা বৰ্তমনলৈকে মুঠ ৭৮৪জন লোকে প্ৰাণ হেৰুৱাইছে। মন্ত্ৰীগৰাকীয়ে লগতে ৰাজ্যত বিগত সময়ছোৱাত বানপানীৰ ক্ষয়-ক্ষতিৰো তথ্য দাঙি ধৰে।

0000000

মুখ্যমন্ত্ৰীৰ আৰোহণ আঁচনিৰ অধীনত আজি মৰিগাঁও জিলা প্ৰশাসনৰ উদ্যোগত আৰু সমগ্ৰ শিক্ষা অভিযানৰ সহযোগত আজি জিলাখনৰ নৱম শ্ৰেণীত পঢ়ি থকা মেধাসম্পন্ন ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে এটা অন্তৰংগ আলাপ অনুষ্ঠানৰ আয়োজন কৰা হয়। জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত আয়োজিত অনুষ্ঠানটো মৰিগাঁও জিলা আয়ুক্ত দেৱাশীষ শৰ্মাই উদ্বোধন কৰে। শ্ৰী শৰ্মাই ছাত্ৰ-ছাত্ৰীসকলক প্ৰতিযোগিতামূলক মানসিকতাৰে অধ্যয়নত ৰত হ'বলৈ আহ্বান জনায়। বিদ্যালয়সমূহৰ পৰিদৰ্শক অপূৰ্ব ঠাকুৰীয়াই আঁত ধৰা অনুষ্ঠানটোত বিদ্যালয়সমূহৰ অধ্যক্ষসকলো উপস্থিত থাকে।

0000000

অসম ৰাজ্যিক শিশু অধিকাৰ সুৰক্ষা আয়োগৰ এটা দলে আজি যোৰহাট জিলাত নিৰীক্ষণ ভ্ৰমণ কাৰ্যসূচী ৰূপায়ণ কৰে। ভ্ৰমণৰ সময়ত দলটোৱে যোৰহাট চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়খনৰ নৱজাতকৰ যত্ন কেন্দ্ৰ, শিশু যত্ন কেন্দ্ৰ, শিশু বিভাগ আৰু স্ত্ৰী ৰোগ বিভাগকে ধৰি তাৎপৰ্যপূৰ্ণ স্বাস্থ্য সেৱাৰ সুবিধাসমূহ পৰিদৰ্শন কৰে। ইয়াৰ লগতে দলটোৱে ল'ৰাৰ কাৰণে নিৰ্দিষ্ট শিশু পৰ্যবেক্ষণ গৃহ 'স্বৰাজ'-ও পৰিদৰ্শন কৰে। দলটোৱে যোৰহাট চিকিৎসা মহাবিদ্যালয় তথা চিকিৎসালয়ৰ অধ্যক্ষ ডাঃ ৰত্নকান্ত তালুকদাৰৰ সৈতে আলোচনাত মিলিত হৈ চিকিৎসালয়খনৰ শিশু সম্পৰ্কীয় স্বাস্থ্য সেৱাৰ বিষয়ে বুজ লয়। ইয়াৰ পাছত শিশু অধিকাৰ সুৰক্ষা আয়োগৰ দলটোৱে আৰ্ত ভৱনৰ প্ৰেক্ষাগৃহত যোৰহাট জিলা আইন সেৱা

প্ৰাধিকৰণ, জিলা সমাজ কল্যাণ বিভাগ, কিশোৰ ন্যায় ব’ৰ্ড আৰু শিশু কল্যাণ সমিতিৰ দৰে বিভিন্ন অংশীদাৰী ব্যৱস্থাসমূহৰ সৈতে বৈঠকত ভাগ লয়।

০০০০০০০

প’বা সংৰক্ষিত বনাঞ্চলত অতি সোনকালে বন্যপ্ৰাণী অভয়াৰণ্য হিচাপে ঘোষণা কৰা হ’ব। পৰিবেশ আৰু বন মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে আজি অসম বিধানসভাত শূণ্যকালত বিধায়ক ভুবন পেগুৱে উত্থাপন কৰা এখন জাননীৰ প্ৰতি সঁহাৰি জনাই এই বিষয়ে ঘোষণা কৰে। মন্ত্ৰীগৰাকীয়ে কয় যে মুখ্যমন্ত্ৰীয়ে সদায় ৰাজ্যখনৰ প্ৰাকৃতিক সম্পদ আৰু জৈৱ-বৈচিত্ৰ্যৰ সংৰক্ষণ তথা স্থায়ী বিকাশৰ ক্ষেত্ৰত চৰকাৰৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ ওপৰত গুৰুত্ব দি আহিছে। এই দিশত ই এটা অন্যতম গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে পৰিগণিত হ’ব বুলি শ্ৰীপাটোৱাৰীয়ে উল্লেখ কৰে। নতুন প’বা বন্যপ্ৰাণী অভয়াৰণ্যই প’বা সংৰক্ষিত বনাঞ্চল, প্ৰস্তাৱিত কাবুচাপৰি সংৰক্ষিত বনাঞ্চল আৰু কাযৰীয়া নৈপৰীয়া অঞ্চলকে ধৰি ২৫৭ দশমিক ২-৯ বৰ্গকিলোমিটাৰ এলেকা সামৰি ল’ব। উল্লেখযোগ্য যে অসমৰ উত্তৰ-পূব অংশত থকা প’বা সংৰক্ষিত বনাঞ্চল হৈছে বন্য জীৱ-জন্তুৰে সমৃদ্ধ আৰু জৈৱ-বৈচিত্ৰ্যৰে ভৰপূৰ এখন বৰ্ষাৰণ্য। এই বনাঞ্চলৰ মাজেৰে হাতীকে ধৰি বিভিন্ন জীৱ-জন্তুৱে কাবুচাপৰি, ডিব্ৰু-ছৈখোৱা ৰাষ্ট্ৰীয় উদ্যান আৰু ডি-এৰিং স্মাৰক বন্যপ্ৰাণী অভয়াৰণ্যলৈ প্ৰব্ৰজন কৰে। ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰৰ পৰা দক্ষিণ পাৰলৈ হাতীৰ প্ৰব্ৰজনৰ ই দ্বিতীয়টো প্ৰধান কৰিড’ৰ।

০০০০০০

নুমলীগড় তেল শোধনাগাৰ লিমিটেডৰ ৩১ সংখ্যক বাৰ্ষিক সাধাৰণ সভাখন আজি প্ৰতিষ্ঠানটোৰ গুৱাহাটীত থকা কৰ্প’ৰেট কাৰ্যালয়ত অনুষ্ঠিত হয়। এন আৰ এল আৰু চি এম ডি অইলৰ অধ্যক্ষ ড০ আৰ ৰাথৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত শোধনাগাৰৰ পৰিচালন সঞ্চালক বি জে ফুকন আৰু শোধনাগাৰ পৰিষদৰ অন্যান্য সদস্য আৰু অংশীদাৰীসকল উপস্থিত থাকে। সভাত ২০২৩-২৪ বিত্তীয় বৰ্ষৰ বাবে প্ৰতিষ্ঠানটোৰ প্ৰায় ২৫৯ কোটি টকাৰ চূড়ান্ত লভ্যাংশ ঘোষণা কৰা হয়। উল্লেখযোগ্য যে প্ৰতিষ্ঠানটোৱে বিত্তীয় বৰ্ষটোত ৪৫২ কোটি টকাৰ অন্তৰৱৰ্তীকালীন লভ্যাংশ প্ৰদান কৰিছে। তেল শোধনাগাৰটোৰ বাৰ্ষিক সাধাৰণ সভাখনত ২০২৩-২৪ চনৰ বিত্তীয় বৰ্ষত প্ৰতিষ্ঠানটোৱে খাৰুৱা তেলৰ প্ৰক্ৰিয়াকৰণত অভিলেখসংখ্যক দক্ষতা দেখুৱাইছে বুলিও অৱগত কৰা হয়। উল্লেখযোগ্য যে প্ৰতিষ্ঠানটোৱে চলিত বছৰৰ এতিয়ালৈকে সৰ্বাধিক স্বতন্ত্ৰ মূলধনী ব্যয় ৮ হাজাৰ ৫০২ কোটি টকালৈ বৃদ্ধি কৰিছে। এই বৃদ্ধি বিগত বৰ্ষৰ তুলনাত ২৪ শতাংশ বেছি। ইয়াৰ ফলত দীৰ্ঘম্যাদী বৃদ্ধি আৰু বহন ক্ষমতা সুনিশ্চিত হোৱাৰ লগতে সৰু-ডাঙৰ প্ৰকল্পসমূহৰ ৰূপায়ণৰ ক্ষেত্ৰত অগ্ৰগতি নিশ্চিত হৈছে।

০০০০০০০

**সমাপ্ত**